# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::: ::::::: :::::::: ::::::::**

ৰাজ্যৰ ৫টা সমষ্টিৰ আসন্ন উপ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। চিদলীৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত তেওঁ বাসুগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ লগতে বঙাইগাঁও সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ বিদ্যাপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইপিনে, চামগুৰি বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ আজি মন্ত্ৰী কেশৱ মহন্তই কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ প্ৰচাৰ চলায়। বিহালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ আজি সাংসদ ৰঞ্জিত দত্তই বিহালীৰ বিহপুখুৰীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোত কংগ্ৰেছ আৰু চি পি আই এম এল দলেও প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰথম দিক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰাৰ লগতে অভিনয় জগতত দীৰ্ঘদিন ধৰি উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ বাবে বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া তথা সত্ৰীয় সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা  কৰুণা বৰাক ডক্টৰেট ডিগ্ৰীৰে সন্মানিত কৰা হয়।  ৰাজ্যপালগৰাকীয়ে লগতে কমলাবাৰী ঘাট পৰিদৰ্শন কৰি ঘাটটোৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ উপৰি অঞ্চলটোৰ গৰাখহনীয়া পৰিদৰ্শন কৰে। ভ্ৰমণৰ অংশ হিচাপে কাইলৈ তেওঁ উত্তৰ কমলাবাৰী সত্ৰ, বেঙেনাআঁটি সত্ৰ, চামগুৰি সত্ৰ আদি পৰিদৰ্শন কৰিব।

০০০০

অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ স্বীকৃতি উদ্‌যাপনৰ বাবে ৰাজ্যজুৰি অনুষ্ঠিত ভাষা গৌৰৱ সপ্তাহৰ আজি ষষ্ঠটো দিন।

এই উপলক্ষে কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ত আজি পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসৰ নেতৃত্বত অনুষ্ঠিত কাৰ্যসূচীত জ্যেষ্ঠ যান-বাহন পৰিদৰ্শক দেৱাংশু দত্তই অসমীয়া

ভাষাক শ্ৰদ্ধা সহকাৰে প্ৰয়োগ কৰিবলৈ আটাইকে আহ্বান জনায়। কাৰ্যসূচীৰ অংশস্বৰূপে বিভাগটোৰ বিষয়া কৰ্মচাৰীসকলৰ মাজত ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশৰ সংকল্পৰে শপতবাক্য পাঠ কৰোৱাৰ লগতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ অন্তৰ্ভুক্ত কৰাৰ সদিচ্ছাক শলাগ লৈ প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীলৈ লিখা অভিনন্দন পত্ৰও পাঠ কৰা হয়। ইপিনে, ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি ধ্ৰুপদী ভাষাৰ দিন উদ্‌যাপন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা দেশপ্ৰেমমূলক কবিতা আবৃতি, ফকৰা যোজনা, শুদ্ধ বানান আদি প্ৰতিযোগিতাৰ ফলাফল ঘোষণাৰ লগতে পুৰস্কাৰ তথা প্ৰমাণ পত্ৰ আজি বিতৰণ কৰা হয়। তামুলপুৰতো জনসংযোগ, উদ্যোগ আৰু বাণিজ্য তথা জলসম্পদ বিভাগে ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন কৰে। বিভিন্ন কাৰ্যসূচীত বিভাগকেইটাৰ বিষয়া কৰ্মচাৰীৰ লগতে অসম সাহিত্য সভা তথা বড়ো সাহিত্য সভাৰ তামুলপুৰৰ সভাপতি দুগৰাকীৰ লগতে বহু সাহিত্যানুৰাগী উপস্থিত থাকে। আনহাতে, কৰিমগঞ্জ জিলাতো সৰস্বতী বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে আজি শিক্ষানুষ্ঠানখনত এই দিৱস উদ্‌যাপন কৰে।

০০০০

যোৰহাট জিলা যক্ষ্মা বিভাগ আৰু নেপকোৰ মাজত আজি এখন চুক্তি স্বাক্ষৰিত হয়। গুৱাহাটীত অৱস্থিত নেপকোৰ কাৰ্যালয়ত যক্ষ্মা ৰোগীসকলৰ বাবে প্ৰটীনযুক্ত আহাৰ বিনামুলীয়াকৈ যোগানৰ বাবে স্বাক্ষৰিত এই চুক্তি অনুসৰি নেপকোৱে যোৰহাটত এই সেৱা আগবঢ়াব। এই কাৰ্যসূচীত যক্ষ্মা বিভাগ, নেপকোৰ লগতে আন কেইবাটাও প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডঃ অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। ০

০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। আমালৈ অহা শেহতীয়া খবৰ অনুসৰি ভাৰতে ৯ অভাৰ ৪ টা বলত ২ টা উইকেট হেৰুৱাই ৯২ ৰাণ সংগ্ৰহ কৰিছে।

০০০

বি চি চি আইৰ অধীনৰ ১৯ বছৰ অনুৰ্ধৰ কোচবিহাৰ ট্ৰফীৰ খেলখনত বিহাৰে অসমক ৪৪ ৰানত পৰাস্ত কৰে। অসম ক্ৰিকেট সংস্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাত অনুষ্ঠিত খেলখনত অসমে ২০৮ ৰানৰ জয়ৰ লক্ষ্যৰে খেলি ১৬৪ ৰান কৰিবলৈ হে সক্ষম হয়।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**